জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩১৭/২০২১

# ‘অন্ন মহোৎসৱ’ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

# অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

## পৰৱৰ্তী শিক্ষা বৰ্ষত শুভাৰম্ভ হ'ব নলবাৰী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল

**দিছপুৰ, ১১ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰীৰ গৰ্ডন খেলপথাৰত অনুষ্ঠিত এক অনুষ্ঠানত ‘অন্ন মহোৎসৱ’ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য যে কৰ'না মহামাৰীৰ কালত সমাজৰ দুখীয়া লোকৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদ্যোগত সমগ্ৰ দেশতে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা আৰম্ভ কৰা হৈছিল। এই যোজনা প্ৰথম পৰ্যায়ত সফলতাৰে ৰূপায়িত হোৱাৰ পিছত বিগত বৰ্ষৰে জুলাই মাহৰ পৰা নৱেম্বৰ মাহলৈ দ্বিতীয় পৰ্যায় আৰম্ভ কৰা হৈছিল। চলিত বৰ্ষত কৰ'না মহামাৰীয়ে সৃষ্টি কৰা সংকট পুনৰ তীব্ৰতৰ হোৱাৰ সময়ত এই আঁচনিৰ অধীনত তৃতীয় পৰ্যায় আৰম্ভ কৰি এপ্ৰিল মাহৰ পৰা নৱেম্বৰ মাহলৈ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ড থকা প্ৰতিগৰাকী হিতাধিকাৰীকে ৫ কিলোগ্ৰামকৈ চাউল যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি এই অন্ন মহোৎসৱ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰাৰ পিছত ১২ অক্টোবৰৰ পৰা ২০ অক্টোবৰ তাৰিখলৈকে খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনস্থ অসমৰ প্ৰতিখন সুলভ-মূল্যৰ দোকানত এই মহোৎসৱ সক্ৰিয়তাৰে পালন কৰি নাগৰিকৰ খাদ্য সুৰক্ষা নিশ্চিত কৰিবলৈ পদক্ষেপ লোৱা হৈছে।

এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা আঁচনিখনৰ সন্দৰ্ভত সজাগতা সৃষ্টি কৰি ৰাজ্যখনৰ হিতাধিকাৰীসকলক এই আঁচনিৰ সুবিধা প্ৰদানৰ উদ্দেশ্যেই এই অন্ন মহোৎসৱ আয়োজন কৰা হৈছে। তেওঁ কয় যে এই আঁচনিৰ অধীনত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ প্ৰায় ৫৯ লাখ হিতাধিকাৰীক অতিৰিক্তভাৱে ৫ কিলোগ্ৰামকৈ চাউল প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে ৰাজ্য চৰকাৰে দিয়া প্ৰতিশ্ৰুতি মৰ্মেই ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লোৱা হিতাধিকাৰীসকলৰ ঋণ ৰেহাই দিয়াৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু চলিত বৰ্ষৰ নৱেম্বৰ মাহৰ পৰা এই ঋণ ৰেহাইৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৰাজ্যখনৰ ১ লাখ যুৱক-যুৱতীক সংস্থাপনৰ বাবে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ অৰ্থে ৰাজ্য চৰকাৰে বিভিন্ন চৰকাৰী বিভাগত নিয়োগৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে বুলিও তেওঁ কয়। তেওঁ লগতে সদৰি কৰে যে পৰৱৰ্তী বৰ্ষৰ পৰা ৰাজ্য চৰকাৰে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি কৰিব আৰু এই আঁচনিৰ অধীনত প্ৰতিটো

সমষ্টিত কমেও ৫ হাজাৰ হিতাধিকাৰীক তালিকাত অন্তৰ্ভূক্ত কৰি তেওঁলোকে প্ৰতিমাহে যাতে ১০০০ টকাকৈ লাভ কৰে সেয়া সুনিশ্চিত কৰা হ'ব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নলবাৰী জিলাৰ উন্নয়নৰ বাবে চৰকাৰে বিভিন্ন পৰিকল্পনা হাতত লৈছে আৰু ইয়াৰ আধাৰত ৫০ কোটি টকা ব্যয় সাপেক্ষে প্ৰায় ২২ বিঘা ভূমিত সংহত জিলা উপায়ুক্তৰ কাৰ্যালয় ভৱন নিৰ্মাণ কৰা হ'ব। তদুপৰি, ৫০ কোটি টকা ব্যয় সাপেক্ষে নলবাৰীত এখন অত্যাধুনিক ষ্টেডিয়ামো নিৰ্মাণ কৰা হ'ব। তেওঁ লগতে ঘোষণা কৰে যে কৃত্ৰিম বানপানীৰ সমস্যাৰ পৰা নলবাৰীৰ জনসাধাৰণক সকাহ প্ৰদানৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ১২০ কোটি টকা ব্যয়েৰে সু-পৰিকল্পিত নলা-নৰ্দমা নিৰ্মাণৰো সিদ্ধান্ত লৈছে। তেনেদৰে, অঞ্চলটোৰ যাতায়াত ব্যৱস্থা উন্নীতকৰণৰ উদ্দেশ্যে বিজুলী ঘাটৰ পৰা তামুলপুৰলৈ পাগলাদিয়া নৈৰ পাৰত থকা মথাউৰিটো পথলৈ ৰূপান্তৰ কৰা হ'ব বুলিও তেওঁ কয়। ইয়াৰ বাবে ব্যয় হ'ব ১৫০ কোটি টকা। তেনেদৰে, নলবাৰীত এটা নতুন আৱৰ্ত ভৱন নিৰ্মাণ কৰা হ'ব বুলিও সদৰি কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালখনো আগন্তুক বৰ্ষত জনসাধাৰণৰ সেৱাৰ বাবে মুকলি কৰা হ'ব।

অনুষ্ঠানত খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, উদ্যোগ আৰু পৰিবহন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিত্ত মন্ত্ৰী তথা নলবাৰী জিলাৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগ, সাংসদ কুইন ওজা আৰু দিলীপ শইকীয়া, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱা, বিধায়ক ভৱেশ কলিতা তথা বিজেপিৰ সাংগঠনিক সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মাকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃদঃ / নিঃকুঃদাঃ**
**১১-১০-২০২১**